পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 55 দিশপুৰ, শনিবাৰ, 7 ফেব্ৰুৱাৰী, 2026, 18 মাঘ, 1947 (শক)

No. 55 Dispur, Saturday, 7th February, 2026, 18th Magha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 7th February, 2026

**No. LGL.199/2021/33.–** The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 6th February, 2026 is hereby published for general information.

## ASSAM ACT NO. V OF 2026

**(Received the assent of the Hon'ble Governor of Assam on 6th February, 2026)**

## THE ASSAM POLICE (AMENDMENT) ACT, 2025

# AN
# ACT

further to amend the Assam Police Act, 2007.

Preamble

Whereas it is expedient to amend the Assam Police Act, 2007, hereinafter referred to as the principal Act, 9n the manner hereinafter appearing; Assam Act XX of 2007.

It is hereby enacted in the Seventy-sixth year of the Republic of India as follows: -

Short title, extent and commencement

1. (1) This Act may be called the Assam Police (Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 71

2. In the principal Act, in section 71, for sub-section (b), the following shall be substituted, namely:-

"(b) a retired police officer superannuated in the rank of Director General of Police or Additional Director General of Police or Inspector General of Police;"

Amendment of section 84

3. In the principal Act, for section 84, the following shall be substituted, namely:-

"(1) The State Government may establish in each Police Districts or a group of districts in a police range, a District Police Accountability Authority to enquire into cases of complaints of misconduct and to discharge functions as specified in section 85 of the Act.

(2) The District Police Accountability Authority shall have one Chairperson and four Members as follows:-

(a) The Inspector General of Police or Deputy Inspector General of Police of the concerned Police Range shall act as the ex-officio Chairperson of the District Police Accountability Authority. In case of Police Commissionerate, the Commissioner of Police shall act as the ex-officio Chairperson of the concerned District Police Accountability Authority.

(b) The Additional District Commissioner (Magistracy) of the concerned district shall be ex-officio Member of the District Police Accountability Authority.

(c) One woman advocate having minimum 15 (fifteen) years of working experience to be nominated by the concerned District Commissioner of the district as Member for a period of not more than 3 (three) years.

(d) One social worker or prominent citizen to be nominated by the Government as Member for a period of not more than 3 (three) years.

(3) The Staff Officer to the Inspector General of Police or Deputy Inspector General of Police of the concerned Police Range shall be the Secretary of the District Police Accountability Authority and shall maintain office records. In case of Police Commissionerate, the Assistant Commissioner of Police (HQ) shall be the Secretary of the concerned District Police Accountability Authority and shall maintain office records.

(4) Condition of ineligibility, terms of office, conditions of service and condition of removal from office for the Chairperson and Members of the District Police Accountability Authority shall be same as provided in respect of Police Accountability Commission under Chapter VIII of this Act."

**GEETANJALI DAS SAIKIA,**

Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

## ২০২৬ চনৰ অসম অধিনিয়ম নং ৫

## (২০২৬ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# অসম আৰক্ষী (সংশোধন) অধিনিয়ম, ২০২৫

**এখন**

**অধিনিয়ম**

**৭ ফেব্ৰুৱাৰী, ২০২৬**

অসম আৰক্ষী অধিনিয়ম,২০০৭ক পৰৱৰ্তী সংশোধন কৰিবলৈ ।

প্ৰস্তাৱনা — যিহেতু অসম আৰক্ষী অধিনিয়ম, ২০০৭ক, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত উল্লেখ কৰা হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণে সংশোধন কৰাটো কালোচিত; — ২০০৭ চনৰ অসম অধিনিয়ম নং XX

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে:–

সংক্ষিপ্ত নাম,বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন অসম আৰক্ষী (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব ।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মখনৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব।

ধাৰা ৭১ৰ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ৭১ ত, উপ-ধাৰা (খ)ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:–

"(খ) আৰক্ষী সঞ্চালক প্ৰধান বা অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান বা আৰক্ষী মহাপৰিদৰ্শক পদৰ পৰা সেৱা নিবৃত্তি হোৱাএগৰাকী অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া;"

ধাৰা ৮৪ ৰ সংশোধন — ৩। মূল অধিনিয়মত, ধাৰা ৮৪ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব,যথা:–

"(১) ৰাজ্য চৰকাৰে প্ৰত্যেক আৰক্ষী জিলা বা এক আৰক্ষী পৰিসৰৰ অন্তৰ্গত জিলাসমূহৰ এটা গোটত, অসৎ আচৰণৰ অভিযোগসমূহ তদন্ত কৰিবলৈ আৰু এই অধিনিয়মৰ ধাৰা ৮৫ ত যথা বিনিৰ্দিষ্ট কৰা কাৰ্য্যসমূহ নিৰ্বহন কৰিবলৈ এক জিলা আৰক্ষী দায়বদ্ধতা প্ৰাধিকৰণ স্থাপন কৰিব পাৰে ।

(২) জিলা আৰক্ষী দায়বদ্ধতাপ্ৰাধিকৰণত নিম্নলিখিত এজন অধ্যক্ষ আৰু চাৰিজন সদস্য থাকিব:–

(ক) সংশ্লিষ্ট আৰক্ষী পৰিসৰৰ আৰক্ষী মহাপৰিদৰ্শক অথবা উপ-আৰক্ষী মহাপৰিদৰ্শকে জিলা আৰক্ষী দায়বদ্ধতা প্ৰাধিকৰণৰ পদেন অধ্যক্ষ হিচাবেকাৰ্য্য নিৰ্বাহ কৰিব। আৰক্ষী আয়ুক্ত কাৰ্য্যালয়ৰ ক্ষেত্ৰত, আৰক্ষী আয়ুক্ত গৰাকীয়ে সংশ্লিষ্ট জিলা আৰক্ষী দায়বদ্ধতাপ্ৰাধিকৰণৰ পদেন অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰিব।

(খ) সংশ্লিষ্ট জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত (দণ্ডাধিকাৰীৰ পদত অধিষ্ঠিত) গৰাকী জিলা আৰক্ষী দায়বদ্ধতাপ্ৰাধিকৰণৰ পদেন সদস্য হ'ব।

(গ) ন্যূনতম ১৫ (পোন্ধৰ) বছৰৰ কৰ্ম অভিজ্ঞতা থকা এগৰাকী মহিলা অধিবক্তাক জিলাখনৰ সংশ্লিষ্ট জিলা আয়ুক্তই ৩ (তিনি) বছৰৰ অনধিক এক অৱধিৰ বাবে সদস্য হিচাবে মনোনীত কৰিব।

(ঘ) এজন সমাজকৰ্মী অথবা বিশিষ্ট নাগৰিকক চৰকাৰে ৩ (তিনি) বছৰৰ অনধিক অৱধিৰ বাবে সদস্য হিচাবে মনোনীত কৰিব।

(৩) সংশ্লিষ্ট আৰক্ষী পৰিসৰৰ আৰক্ষী মহাপৰিদৰ্শক অথবা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ ষ্টাফ বিষয়াগৰাকী জিলা আৰক্ষী দায়বদ্ধতা প্ৰাধিকৰণৰ সচিব হ'ব আৰু কাৰ্য্যালয়ৰ অভিলেখসমূহ তদাৰক কৰিব। আৰক্ষী আয়ুক্ত কাৰ্য্যালয়ৰ ক্ষেত্ৰত, সহকাৰী আৰক্ষী আয়ুক্ত (মুখ্য কাৰ্য্যালয়) সংশ্লিষ্ট জিলা আৰক্ষী দায়বদ্ধতাপ্ৰাধিকৰণৰ সচিব হ'ব আৰু কাৰ্য্যালয়ৰ অভিলেখসমূহ তদাৰক কৰিব।

(৪) জিলা আৰক্ষী দায়বদ্ধতা প্ৰাধিকৰণৰ অধ্যক্ষ আৰু সদস্যসকলৰ বাবে অযোগ্যতাৰ চৰ্ত, পদাৱধি, সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী, আৰু পদৰ পৰা অপসাৰণৰ চৰ্ত এই অধিনিয়মৰ অধ্যায়VIIIৰ অধীনত আৰক্ষী দায়বদ্ধতা আয়োগৰ সন্দৰ্ভত যথাউপবন্ধিত কৰা ধৰণৰ হ'ব।"

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 109 - 50 + 10 - 07 - 02 - 2026. (visit at– dpns.assam.gov.in)